# স্পষ্টীকৰণ

যোৱা ইং ০৩-০৮-২০১৫ তাৰিখে “দৈনিক অগ্ৰদূত” কাকতত প্ৰকাশিত “হত্যাকাৰীক গ্ৰেপ্তাৰ কৰিব নোৱাৰাত আৰক্ষীৰ বিৰুদ্ধে ক্ষোভ” শীৰ্ষক বাতৰিটো শিৱসাগৰ আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সংক্ৰান্তত অধীক্ষকগৰাকীয়ে এক স্পষ্টীকৰণযোগে কয় যে, গৌৰীসাগৰ থানাৰ অন্তৰ্গত ৰূপহীমুখ কুমাৰ গাঁৱৰ মহেন্দ্ৰ কলিতাই যোৱা ১৯-০৬-২০১৫ তাৰিখে ডিমৌ থানাত দাখিল কৰা এখন এজাহাৰত কয় যে তেওঁৰ পিতৃ বিপিন কলিতা ১৮-০৬-২০১৫ তাৰিখৰ পুৱাৰ পৰা সন্ধানহীন হৈ আছিল আৰু ১৯-০৬-২০১৫ তাৰিখে ৰাজমাই চাহ বাগিছাৰ ভিতৰত ডিঙিত চিপজৰী লৈ থকা অৱস্থাত দেখা পায়। কোনো দুৰ্বৃত্তই বিপিন কলিতাক হত্যা কৰি সেইদৰে ওলোমাই থোৱা বুলিও এজাহাৰত মহেন্দ্ৰ কলিতাই উল্লেখ কৰে। এই এজাহাৰ লাভ কৰাৰ পিছত ডিমৌ থানাত ১৪৯/১৫ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ৩০২ ধাৰাত এটি গোচৰ ৰুজু কৰা হয় আৰু উপ-পৰিদৰ্শক ছিত্তৰঞ্জন ঈশ্বৰীক এই গোচৰৰ তদন্তৰ দায়িত্ব দিয়া হয়। আৰক্ষীয়ে ইতিমধ্যে কেবাজনো লোকক আটক কৰি সোধ-পোচ কৰিছে আৰু অপৰাধীক কৰায়ত্ত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে। উক্ত গোচৰ সংক্ৰান্তত অপৰাধীক গ্ৰেপ্তাৰ কৰিবলৈ শিৱসাগৰৰ উপ-আৰক্ষী অধীক্ষক চিৰাজুল হক, ডিমৌ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মণিমোহন কোচ আৰু ডিমৌ থানাৰ উপ-পৰিদৰ্শক ছিত্তৰঞ্জন ঈশ্বৰীক লৈ এটা তিনিজনীয়া অনুসন্ধানকাৰী দল গঠন কৰি ক্ষিপ্ৰ তদন্ত অব্যাহত ৰখা হৈছে। গোচৰটোৰ নিৰীক্ষণৰ বাবে শিৱসাগৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক জয়ন্ত সাৰথি বৰাক নিৰ্দেশ দিয়া হৈছে।

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

যোৱা ইং ০৮-০৮-২০১৫ তাৰিখে "দৈনিক অসম" কাকতত প্ৰকাশিত "উপায়ুক্তৰ কাৰ্য্যালয় ঘেৰাও আটছাৰ" শীৰ্ষক বাতৰিটো ডিব্ৰুগড় আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সংক্ৰান্তত অধীক্ষকগৰাকীয়ে এক স্পষ্টীকৰণযোগে কয় যে, যোৱা ইং ০১-০৮-২০১৫ তাৰিখে নিশা প্ৰায় ১০-৩০ বজাত ডিব্ৰুগড় থানাৰ অন্তৰ্গত খনিকৰ চাৰিআলিত মিলন নগৰ আৰক্ষী চকীৰ এজন কনিষ্টবল আৰু এজন গৃহৰক্ষী জোৱান সহ এক চেকচন CRPF BN জোৱানে নিয়মীয়া তালাচী কৰিছিল। তেনে সময়তে মিলন নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াই সুনীল পাত্ৰ বাক্ৰু নামৰ এজন লোকৰ পৰা ফোনত অভিযোগ পায় যে খনিকৰ চাৰিআলিত কৰ্তব্যৰত আৰক্ষীয়ে তেওঁক আবদ্ধ কৰি ৰাখি মাৰ-ধৰ কৰিছে। উক্ত খবৰৰ ভিত্তিত মিলন নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু উপ-পৰিদৰ্শক দীননাথ মিলি ঘটনাস্থলীত উপস্থিত হৈ সুনীল পাত্ৰ বাক্ৰু আৰু অন্য এগৰাকী ব্যক্তি কমল তাঁতীক লগ পায় আৰু ঘটনাৰ বুজ লয়। সুনীল পাত্ৰ বাক্ৰুৱে তেওঁক কৰ্তব্যৰত আৰক্ষীয়ে মাৰ-ধৰ কৰা বুলি অভিযোগ কৰাত তেওঁক শাৰীৰিক পৰীক্ষাৰ বাবে চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

ঘটনা সম্পৰ্কত সুনীল পাত্ৰ বাক্ৰুৱে ডিব্ৰুগড় থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰ মৰ্মে ডিব্ৰুগড় থানাৰ গোচৰ নং ৬২৬/১৫ ভাৰতীয় দণ্ডবিধি আইনৰ অধীনৰ ৩৪১/৩২৩/৩৪ ধাৰা ৰুজু কৰা হৈছে আৰু বৰ্তমানলৈকে গোচৰৰ তদন্ত অব্যাহত আছে। এই গোচৰৰ সংক্ৰান্তত এজন গৃহৰক্ষী সঞ্জয় মূৰ্ম্মক ইতিমধ্যেই কৰ্তব্যৰ পৰা অব্যাহতি দিয়া হৈছে।

১৫/৮/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষীৰ মুখ্য কাৰ্য্যালয়
উলুবাৰী, গুৱাহাটী